# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-01-2025
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - - -**

১।	অহা বছৰৰ ভিতৰত ডেৰ লাখ চৰকাৰী চাকৰিত নিযুক্তিৰ লক্ষ্য পূৰণৰ দিশে ৰাজ্য চৰকাৰ অগ্ৰসৰ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২।	ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন।

৩।	ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ উদ্যোগত আৰু তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগত তামুলপুৰত মহাকাশ প্ৰযুক্তি আৰু ভূ-স্থানীক উত্তৰণ বিষয়ক কৰ্মশালা।

৪।	বৰ্ষীয়ান অভিনেত্ৰী জ্ঞানদা কাকতিৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন।		**আৰু**

৫।	অসমবাসীৰ বাপতিসাহোন ভোগালী বিহুলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি।

ooooo

অসম চৰকাৰ অহা বছৰৰ ভিতৰত ডেৰ লাখ চৰকাৰী চাকৰিত  নিযুক্তিৰ লক্ষ্য পূৰণৰ দিশে অগ্ৰসৰ হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত শীঘ্ৰে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষকৰ চাৰি হাজাৰ ৫০০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব বুলি জানিবলৈ দিয়ে। এই চাকৰিসমূহৰ বাবে আবেদন প্ৰক্ৰিয়া অহা ১৫ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব। প্ৰাৰ্থীসকলে dee.assam.gov.in যোগে আবেদন কৰিব পাৰিব।

ooooo

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশন চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আজি অধিৱেশনৰ মূল তোৰণ আৰু সাহিত্য অকাডেমী বঁটাপ্ৰাপক ড০ ৰীতা বড়োৱে খেংখ্ৰাই শীৰ্ষক শুভংকৰ উন্মোচন কৰে। অধিৱেশনৰ সৈতে সংগতি ৰাখি গঢ়ি তোলা বড়ো লিটাৰেৰী পায়'নিয়াৰ পাৰ্কখন সাহিত্য অকাডেমী বঁটাপ্ৰাপক নবীন মল্ল বড়োৱে উদ্বোধন কৰে। আজিৰ অনুষ্ঠানত অংশ লৈ কলাইগাঁৱৰ বিধায়ক দুৰ্গাদাস বড়োৱে বড়ো ভাষাৰ উত্তৰণ সম্পৰ্কে এইদৰে কয়-

**বাইট (দুৰ্গাদাস বড়োৱে)**

কাইলৈ দ্বিতীয় দিনাৰ কাৰ্যসূচীত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সম্পৰ্কে এখন আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সূৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া আলোচনা চক্ৰখনত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ দেৱৰাজ

উপাধ্যায়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ইছমাইল হুছেইন আৰু বড়ো স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কাইলৈ ডিমাকুছি শীৰ্ষক এখন স্মৃতি গ্ৰন্থও উন্মোচন কৰিব। ইয়াৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ নেপাল আৰু বাংলাদেশৰ লগতে ভাৰতৰ কেইবাখনো ৰাজ্যৰ প্ৰতিনিধিৰ সৈতে বিশেষ মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আবেলি সাহিত্য অকাডেমী বঁটাপ্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে কবি সন্মিলনৰ উদ্বোধন কৰিব।

০০০০০

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত অংশকালীন ভিত্তি কাম কৰি থকা জলমিত্ৰসকলে তেওঁলোকৰ চাকৰি নিয়মীয়া কৰাকে ধৰি কেইবাটাও দাবীৰ সমৰ্থনত আজি গুৱাহাটীৰ হেঙেৰাবাৰীত থকা জনস্বাস্থ্য কৰিকৰী বিভাগৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত ধৰ্না দিয়ে। এই বিক্ষোভ কাৰ্যসূচীৰ ফলত আজি দুপৰীয়া বহু সময় ধৰি হেঙেৰাবাৰী অঞ্চলত তীব্ৰ যানজঁটৰ সৃষ্টি হয়। ইয়াৰ ফলত কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয় আৰু স্বাস্থ্য বিভাগৰ সঞ্চালকৰ কাৰ্যালয়কে ধৰি কেইবাটাও চৰকাৰী কাৰ্যালয়লৈ অহা কৰ্মচাৰী আৰু সৰ্বসাধাৰণ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হয়।

০০০০০

যোৱা সোমবাৰে উমৰাংছ'ৰ তিন কিল'ৰ কয়লা খনিত হঠাতে সোমোৱা পানীৰ বাবে সংঘটিত দুৰ্ঘটনাৰ তিনি দিন অতিবাহিত হোৱাৰ পাছতো খনিৰ ভিতৰত আবদ্ধ শ্ৰমিকৰ সন্ধান উলিয়াব পৰা হোৱা নাই। উদ্ধাৰ কাৰ্যত নিয়োজিত নৌ সেনা বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সাহায্য বাহিনী, সেনা বাহিনী, ক'ল ইণ্ডিয়া লিমিটেডৰ উদ্ধাৰকাৰী বাহিনী আদি সকলো সংস্থাই এতিয়া কোনো শ্ৰমিকক জীৱিত অৱস্থাত উদ্ধাৰ কৰিব পৰা অৱস্থা নাই বুলি কালিয়েই ঘোষণা কৰিছে। বিশাখাপট্টনমৰ নৌ সেনা কমাণ্ডৰ পৰা অহা উদ্ধাৰকাৰী দলে আজিও উদ্ধাৰ কাৰ্যত দূৰ সংবেদী বাহন ব্যৱহাৰ কৰে আৰু ক'ল ইণ্ডিয়াই ব্যৱহাৰ কৰা উচ্চমানৰ পানী নিষ্কাষণ যন্ত্ৰে খনিৰ আভ্যন্তৰৰ পৰা পানী সিঁচাৰ কাম অব্যাহত ৰখা হয়। অসমৰ লগতে পশ্চিমবংগ আৰু নেপালৰ শ্ৰমিক আবদ্ধ হৈ থকাৰ বাতৰি ওলোৱাৰ লগে লগে তিন কিল'লৈ অহা শ্ৰমিক কেইজনৰ পৰিয়ালৰ লোকে অধীৰ আগ্ৰহেৰে প্ৰিয়জনক জীৱিত অথবা মৃত অৱস্থাত পোৱাৰ আশাৰে উদ্ধাৰ অভিযান স্থলীত প্ৰচণ্ড শীতকো নেওচি দিন-ৰাতি অতিবাহিত কৰিছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি আজিও কোনো মৃতদেহ উদ্ধাৰ কৰিব পৰা হোৱা নাই।

কংগ্ৰেছকে ধৰি কেইবাটাও বিৰোধী দলে উমৰাংছ'ৰ খনি দুৰ্ঘটনাৰ প্ৰকৃত তথ্য চৰকাৰে দিয়া নাই বুলি অভিযোগ কৰিছে। উচ্চতম ন্যায়ালয়ে নিষিদ্ধ ঘোষণা কৰাৰ পাছতো কিদৰে ৰাজ্যখনত এন্দুৰৰ গাঁত সদৃশ গাঁত খান্দি অবৈধভাৱে কয়লা নিষ্কাষণ কাৰ্য চলাই থকা হৈছে, সেই বিষয়েও বিৰোধী দলসমূহে চৰকাৰৰ পৰা স্পষ্টিকৰণ দাবী কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অধীনৰ অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ উদ্যোগত আৰু তামুলপুৰ জিলা প্ৰশাসনৰ সহযোগত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন বিভাগৰ বিষয়াসকলৰ মাজত মহাকাশ প্ৰযুক্তি আৰু ভূ-স্থানীক উত্তৰণ বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাত অংশগ্ৰহণ কৰি ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ সঞ্চালক পি এল এন ৰাজুৱে মহাকাশ প্ৰযুক্তিৰ প্ৰয়োগেৰে তামুলপুৰক এখন আদৰ্শ জিলা হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীৰাজুৱে

মহাকাশ প্ৰযুক্তি আৰু ভূ-স্থানীক সঁজুলিৰ বিভিন্ন প্ৰয়োগ সন্দৰ্ভতো বিতংভাৱে প্ৰকাশ কৰে। সন্মানীয় অতিথি হিচাপে উপস্থিত থকা জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে জিলাখনৰ এটা গুৰুত্বপূৰ্ণ সমস্যা হাতী-মানুহৰ সংঘাত প্ৰতিৰোধৰ ক্ষেত্ৰত মহাকাশ প্ৰযুক্তি প্ৰয়োগৰ কথা উল্লেখ কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰি ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক উৎপল শৰ্মা, কেন্দ্ৰটোৰ বিষয়া নিলয় নিশান্তৰ লগতে অন্যান্য বিজ্ঞানীসকলে ইছৰোৰ মোবাইল এপ, ডেছবৰ্ড প্ৰদৰ্শন আদিৰ জৰিয়তে মহাকাশ প্ৰযুক্তিৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে অৱগত কৰে। আহমেদাবাদৰ মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ বিজ্ঞানী শশীকান্ত শৰ্মা আৰু দেৰাডুনৰ আই আই আৰ এছৰ বিজ্ঞানী ড০ হৰিশ কৰ্ণাটকে এই কৰ্মশালাত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে।

০০০০০

যোৱা নিশা দেহাৱসান ঘটা বৰ্ষীয়ান অভিনেত্ৰী জ্ঞানদা কাকতিৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্ৰিয়া আজি দুপৰীয়াৰ ভাগত শ্বিলঙৰ বৈদ্যুতিক শ্মশানত সম্পন্ন কৰা হয়। ইয়াৰ আগতে তেওঁৰ নশ্বৰদেহৰ প্ৰতি শ্বিলঙৰ লাবানৰ আছাম ক্লাব, লাবান নামঘৰ, অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ আৰু অসমৰ মুখ্যমন্ত্ৰীৰ ফালৰ পৰা পুষ্পাৰ্ঘ্য নিবেদন কৰা হয়। অন্ত্যেষ্টিক্ৰিয়াত তেওঁৰ একমাত্ৰ জীয়ৰী আৰু শিল্পীগৰাকীৰ কিছুসংখ্যক গুণমুগ্ধ উপস্থিত আছিল।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা কিছুদিন ধৰি বাৰ্ধক্যজনিত ৰোগত ভুগি থকা অভিনেত্ৰীগৰাকীৰ যোৱানিশা শ্বিলঙৰ এখন ব্যক্তিগত হাস্পতালত ৯২ বছৰ বয়সত দেহাৱসান হয়। পঞ্চম দশকত পাৰঘাট ছবিৰে চলচ্চিত্ৰৰ অভিনয় জগতত ভূমুকি মৰা জ্ঞানদা কাকতিয়ে অসমীয়া ছবি জগতত প্ৰায় চাৰি দশক ধৰি তেওঁৰ অনবদ্য অভিনয়েৰে দৰ্শকক আপ্লুত কৰি আহিছিল। তেওঁ অভিনয় কৰা ১৪ খন অসমীয়া ছবিৰ ভিতৰত উল্লেখযোগ্য ছবিসমূহ হৈছে- পিয়লি ফুকন, পূৱেৰুণ, সৰাপাত, লখিমী, ৰঙা পুলিচ, চাকনৈয়া, পুৱতি নিশাৰ সপোন, ওপৰ মহলা, শেষ বিচাৰ, প্ৰিয়জন আদি। বিদ্যুৎ চক্ৰৱৰ্তী পৰিচালিত আৰু ১৯৯৬ চনত মুক্তিপ্ৰাপ্ত ৰাগবিৰাগ ছবি আছিল তেওঁ অভিনয় কৰা অন্তিমখন ছবি। ধীৰু ভূঞাৰ পৰিচালিত আৰু জ্ঞানদা কাকতি অভিনীত **প্ৰথম ৰাগিনী** ছবিখনে আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ ৰজত কমল পুৰস্কাৰ লাভ কৰিছিল। ১৯৫৯ চনত প্ৰভাত মুখাৰ্জীৰ পৰিচালনাত নিৰ্মিত পূৱেৰুণ ছবিখনৰ বাবে বাৰ্লিন চলচ্চিত্ৰ মহোৎসৱত তেওঁ দেশক প্ৰতিনিধিত্ব কৰিছিল।

জ্ঞানদা কাকতিয়ে তিনিখন বাংলা ছবিতো অভিনয় কৰিছিল। ২০০২ চনত শিল্পীগৰাকীয়ে কলাগুৰু বিষ্ণুৰাভা বঁটা লাভ কৰিছিল। অভিনয়ৰ লগতে তেওঁ কণ্ঠশিল্পী হিচাপেও প্ৰতিষ্ঠা লাভ কৰা জ্ঞানদা কাকতিৰ আকাশবাণীৰ সংগীত শিল্পীৰূপেও সুনাম আছিল। ইয়াৰ উপৰি গ্ৰামোফোন ৰেকৰ্ডতো তেওঁ কণ্ঠদান কৰিছিল। জ্ঞানদা কাকতিয়ে ১৯৪৮ চনৰ পহিলা জুলাইত তেতিয়াৰ আকাশবাণী শ্বিলং গুৱাহাটী কেন্দ্ৰৰ শ্বিলং ষ্টুডিঅ'ৰ পৰা অসমীয়াত প্ৰথম ঘোষণা কৰিছিল। তেওঁৰ বিষয়ে স্মৃতিচাৰণ কৰি লাবু সেনাপতি ৰূপে পৰিচিত আকাশবাণীৰ অৱসৰপ্ৰাপ্ত ঘোষক তুষাৰ সেনাপতিয়ে এইদৰে কয়————-        **বাইট (লাবু সেনাপতি)**

জ্ঞানদা কাকতিৰ মৃত্যুত কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু আন ভালেকেইগৰাকী নেতা, শিল্পী, সাহিত্যিকে শোক প্ৰকাশ কৰাৰ বাতৰি আমালৈ আহিছে।

০০০০০

———কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি গুৱাহাটীত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত ৫০ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ লগতে ধৰিত্ৰী আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযানৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩২ কোটি ৬৪ লাখ টকাৰ কৃষি

যন্ত্ৰপাতিৰ বিতৰণ অনুষ্ঠানতো ভাগ লয়। এই অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ২০ গৰাকী লাখপতি বাইদেউক সম্বৰ্দ্ধনা জনোৱা হয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিত্ত মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত লোকসেৱা ভৱনৰ সভাকক্ষত ৰাজহ সৃষ্টিকাৰী বিভাগৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বন, পৰিবহণ, আবকাৰী আদি বিভাগৰ বিগত বৰ্ষৰ তুলনাত ২০২৪-২৫ বিত্তীয় বৰ্ষত হোৱা কৰ সংগ্ৰহ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সম্ভাব্য কৰ সংগ্ৰহৰ বুজ লোৱাৰ লগতে এই বিভাগসমূহে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানৰ ক্ষেত্ৰত যাৱতীয় নিৰ্দেশনাও প্ৰদান কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ লগতে চৰকাৰৰ কল্যাণকামী আঁচনি আৰু পদক্ষেপসমূহ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজহ সৃষ্টিকাৰী বিভাগসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীও সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০

অসমবাসীৰ বাপতিসাহোন ভোগালী বিহুলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। বিগত দুদিন ধৰি ৰাজ্যত বৃদ্ধি পোৱা শীতৰ প্ৰকোপকো নেওচি জীয়ৰী-বোৱাৰীসকল পিঠা-পনা, সুস্বাদু বিহুৰ জলপানকে ধৰি উপাদেয় সামগ্ৰী প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰিছে। একেদৰে ডেকাসকল মেজি, ভেলাঘৰ সাজি উলিৱাইছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আটকধুনীয়াকৈ মেজি সজাও দেখা গৈছে। ভোগালী বিহুৰ বাবে গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইত ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গুৱাহাটীৰ সিদ্ধিনাথ শৰ্মা ভৱনত আয়োজিত ভোগালী মেলাত বিভিন্ন থলুৱা খাদ্য, পিঠা-পনা, সান্দহগুড়িকে ধৰি নানান সামগ্ৰী মুকলি কৰা হৈছে। **চৰাইদেউ** জিলাৰ সোণাৰীৰ ভাগৱতী প্ৰসাদ সৌৰৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজিৰে পৰা তিনি দিনীয়াকৈ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত ভোগালী মেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ আয়ুক্ত ডাঃ নেহা যাদৱে এই মেলাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত আয়ুক্তগৰাকীয়ে গ্ৰাহকৰ চাহিদা অনুসৰি খাদ্য-সামগ্ৰী প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে ডিজিটেল মঞ্চসমূহত থলুৱা খাদ্য-সামগ্ৰীৰ চাহিদা আছে বুলি মন্তব্য কৰে। **নগাঁও** চহৰৰ কলঙৰ বাকৰিত নেহৰুবালিত আজি ভোগালী মেলা আৰম্ভ হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত তথা অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সহযোগত আয়োজিত এই মেলাত কমেও ৩০ খন বিপণীয়ে অংশ লৈছে। পৰহিলৈ এই মেলাৰ সামৰণি পৰিব। **মাজুলী**ৰ বনগাঁও শংকৰদেৱ শিশু নিকেতনত আজি

শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সৈতে লগ হৈ চুঙা পিঠা পুৰি পিঠাৰ জুতি লয়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক পৰম্পৰাৰ সৈতে পৰিচিত কৰোৱাৰ প্ৰয়াস কৰোৱা হয়।

ooooo

লোক কৃষ্টি গৱেষণা উন্নয়ন সমিতি তথা চৰাইদেউবাসী ৰাইজৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম প্ৰাঙ্গণত চৰাইদেউ মহোৎসৱ ২০২৫-ৰ আয়োজন কৰা হৈছে। আজি পুৱা মাঙ্গলিক কাৰ্যসূচীৰে মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে স্বৰ্গদেউসকলৰ তৰ্পণ আৰু বান-ফি পূজা কৰা হয়। মহোৎসৱৰ আজি প্ৰথম দিনা খিলঞ্জীয়া আৰু জনজাতি বিশ্বাস আৰু সংস্কৃতি মন্ত্ৰী যোগেন মহনে খাদ্যমেলাৰ উদ্বোধন কৰে। টাই-আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁইয়ে গ্ৰন্থ, বস্ত্ৰ আৰু কৃষিমেলাৰ উদ্বোধন কৰি চৰাইদেউ মৈদাম ক্ষেত্ৰত টাই সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বাবে ১ কোটি টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। এই মহোৎসৱতে টাই-আহোম উন্নয়ন পৰিষদে স্বৰ্গদেউ চাওলুং চ্যুকাফা মৈদাম সংৰক্ষণৰ আধাৰশিলা স্থাপন কৰিব বুলি উন্নয়ন সমিতিয়ে প্ৰকাশ কৰিছে। মহোৎসৱৰ পৰৱৰ্তী দিনৰ বিভিন্ন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী কেবিনেট মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ কথা।

ooooo

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি গোলাঘাটৰ সৰু পথাৰত ধনশিৰি নৈৰ নতুন মঠাউৰি নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। তেওঁ সৰু পথাৰৰ শ্যাম গাঁৱত বৌদ্ধ মন্দিৰ উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰথমতে সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু সৰু পথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উপস্থিতিত কৈৰি গাঁৱৰ পৰা পানজানলৈ তিনি কোটি ৩১ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া মঠাউৰিৰ নিৰ্মাণ কাৰ্য আনুষ্ঠানভাৱে শুভাৰম্ভ কৰে। বান আৰু খহনীয়া নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিগত সময়ছোৱাত জলসম্পদ বিভাগে সফলতা লাভ কৰা বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ধেমাজি, মাজুলী, লখিমপুৰকে ধৰি কেইবাখনো জিলাত বানৰ ফলত হোৱা সমস্যা পূৰ্বতকৈ লাঘৱ হৈছে। যোৱাবাৰ বাৰিষাত মাজুলীৰ যুগুনীধাৰীত ব্ৰহ্মপুত্ৰৰ ছিগা মঠাউৰি ২৫ দিনৰ ভিতৰতে মেৰামতি সম্পূৰ্ণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰী হাজৰিকাই শ্যাম গাঁৱত ৰজাপুখুৰী শ্যামগাঁও বৌদ্ধ মন্দিৰ আৰু তুৰুংগাঁও বৌদ্ধ মন্দিৰ উন্নয়ন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। উল্লেখযোগ্য যে কেইমাহমান পূৰ্বে ৰাজ্য চৰকাৰৰ **গাঁৱলৈ বলক** শীৰ্ষক অভিযানৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শ্যাম গাঁৱতে নৈশ যাপন কৰি বৌদ্ধ মন্দিৰ দুটাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২৫ লাখ আৰু ৪০ লাখ টকা প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই অনুসৰি আজি মন্দিৰ দুটাৰ আধাৰশিলা স্থাপন কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতাৰ আবেদন পত্ৰ গ্ৰহণৰ কাইলৈ হৈছে অন্তিম দিন। ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীসকলে কাইলৈ ১০ জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ আকাশবাণী গুৱাহাটী চানমাৰিত থকা কাৰ্যালয়ত নিজ হাতে জমা দিব পাৰে।

ooooo

সমাপ্ত